ভাৰতীয় স্বাধীনতা আন্দোলনত মনিৰাম দত্ত বৰুৱাৰ ভূমিকা

"সোণৰ ধোৱাখোৱাত খালি ঐ মনিৰাম
ৰূপৰ ধোৱাখোৱাত খালি,
কিনো ৰজাঘৰৰ দ্ৰোহ আচলিৰি
ডিঙিত ছিপজৰী ল'লি।"

আৰম্ভণি: পৃথিৱীলৈ মানুহ আহিছে আৰু গৈছে। মানুহ অহা আৰু যোৱা এই অনন্ত সোঁতৰ অন্ত নাই। পৃথিৱীত কোনেও কাৰো খবৰ মানুহৰ যেন কাৰো ফালে উভতি চাবলৈ সময় নাই। সংসাৰ যুঁজৰ কিন্তু তাৰ ভিতৰতে কিছুমান মানুহ ব্যতিক্ৰম হৈ জন্মে। তেওঁৰ কৰ্ম আৰু গুণে দহজনৰ হৃদয় জয় কৰিবলৈ সক্ষম হয়। সমাজত এটা মাইলৰ খুটি হৈ তেওঁ থিয় হৈ থাকে। গতিকে তেনে মানুহ মৰিও অমৰ। তেওঁৰ মৃত্যু হ'লেও, তেওঁৰ কৰ্মৰাজিয়ে তেওঁক জীয়াই ৰাখে। তেওঁ যুগে যুগে মানুহৰ পৰা শ্ৰদ্ধা লাভ কৰিব পাৰে। তেনে জীৱন ধন্য।

তেনে এটি ধন্য জীৱন মনিৰাম দত্ত বৰুৱা। তেওঁ মৰিও আজি আমাৰ সমাজত অমৰ হৈ আছে। তেওঁৰ গুণৰাজিয়ে আমাৰ সমাজ জীৱনক উদ্ভাসিত কৰি ৰাখিছে। তেওঁ বৃটিছৰ আমোলত, বৃটিছক খেদি স্বৰাজ্য স্থাপনৰ বাবে বিদ্ৰোহ আচৰণ কৰি ফাঁচী-চাঙত নিজৰ প্ৰাণ বিসৰ্জন দিবলৈও অকণো কুণ্ঠাবোধ কৰা নাছিল। মনিৰাম দেৱানৰ এই ত্যাগ আৰু প্ৰেম দেশৰ বাবে সদায় অনুকৰণীয় হৈ থাকিব।

জন্ম আৰু কৰ্মজীৱন: সোণৰ ধোৱাখোৱা, ৰূপৰ ধোৱাখোৱা, ধপাত খোৱা মনিৰাম দত্ত বৰুৱাৰ জন্ম হয় ১৮০৬ চনৰ ২১ এপ্ৰিল তাৰিখে শিৱসাগৰ জিলাৰ চাৰিঙত। দেউতাক ৰামদত্ত বৰুৱা কোম্পানী চৰকাৰৰ এজন উচ্চ পদস্থ বিষয়া আছিল। অগাধ পৈতৃক সম্পত্তিৰ উত্তৰাধিকাৰী হোৱা হেতুকে আৰু নিজৰ চেষ্টাৰ ফলতো বহুতো ধন মান অৰ্জন কৰিব পৰাৰ বাবে তেওঁক "কলিতা ৰজা" ও বুলিছিল। অসমীয়া ভাষাৰ উপৰিও সংস্কৃত, বঙালী আৰু পাৰ্চী ভাষাতো তেওঁৰ যথেষ্ট জ্ঞান আছিল। গোৱালপাৰা জিলাত তেওঁ দো-ভাষীৰ কামো কৰিছিল।

মনিৰাম দেৱান নামেৰে বিখ্যাত হৈ পৰা এই গৰাকী ব্যক্তি জীৱনৰ আগছোৱাত আছিল ইংৰাজ শাসনৰ সমৰ্থক। বৰং ১৯২৮

চনত উজনি অসমৰ পলিটিকেল এজেণ্ট কেপ্তেইন নিউবিলে ইংৰাজৰ অধীনত মনিৰামক যোৰহাটৰ বেভিনিউ চিৰস্তাদাৰ আৰু তহছিলদাৰ বাবে বাব দিয়ে। পুৰন্দৰ সিংহক যেতিয়া উজনি অঞ্চলত ব্রিটিছ চৰকাৰে পুনৰ প্রতিষ্ঠা কৰিছিল, মনিৰাম দেৱানে পুৰন্দৰ সিংহৰ অধীনত দেৱান হিচাপে যোগদান কৰিছিল। পুৰন্দৰ সিংহই ৰাজ্য হেৰুৱাৰ পাছত মাহে ৫০ টকাৰ বেতনত অভিয়াৰ শিৱসাগৰ জিলাৰ চেৰেকপাৰ, কোঁৱৰ পুৰ আৰু মেটেকা মৌজাৰ মৌজাদাৰ হয়। ১৮৩৯ চনত মৌজাদাৰৰ কাম ইস্তাফা দি ব্রিটিছৰ 'আচাম টি' কোম্পানীত দেৱানে পদ গ্রহণ কৰে। ১৮৪৫ চনত কোম্পানীৰ চাকৰি এৰি যোৰহাট জিলাৰ চেনিৰামত আৰু শিৱসাগৰ জিলাৰ ডিংলৌত নিজাকৈ চাহ বাগান আৰম্ভ কৰে। কিন্তু ইংৰাজ চাহ যেতিয়াকৈ লাভকৰাৰ দৰে ৰাজহুৱা কোনো ক্ষেত্ৰতে তেওঁতে কোনো সা-সুবিধা নোপোৱাকৈ লগতে পুৰুষানুক্রমে ভোগ কৰি অহা ৰাজহুৱা দায়িত্বৰ পৰা বঞ্চিত হোৱাত অসন্তুষ্টি হৈ পৰে। যদিও মনিৰামে দেৱানৰ কৰ্মজীৱন ব্রিটিছ চৰকাৰ অধীনত কৰ্তৃত্বশীল বিষয়া হিচাপে আৰম্ভ হৈছিল। কিন্তু পিছলৈ তেওঁ চৰকাৰৰ অধীনতে পদবীবিহীন, ধন, মান, সম্মানবিহীন এক সাধাৰণ অৱস্থালৈ অৱনতি ঘটিছিল। যিয়েই তেওঁৰ মনৰ আন্দোলনৰ উত্তপ্ত জ্বই জ্বলাই জ্বলাও ইন্ধন যোগাইছিল।

মনিৰামে অসমক ব্রিটিছৰ পৰা মুক্ত কৰিবলৈ সকলো প্রকাৰে চেষ্টা কৰিছিল। অৱশেষত মাতৃভূমিৰ স্বাৰ্থত নিজৰ জীৱন জুলাঞ্জলি দি অসমৰ জনসাধাৰণৰ প্রেৰণাৰ উৎস হৈ পৰিল। তেওঁৰ এই ত্যাগৰ ফলস্বৰূপেই অসমৰ জনসাধাৰণে ব্রিটিছৰ বিৰুদ্ধে মাৰ বান্ধি থিয় হৈছিল।

ভাৰতীয় স্বাধীনতা আন্দোলনত মনিৰাম দেৱানৰ ভূমিকা :-

ভাৰতত ব্রিটিছ আধিপত্যৰ ফলত অসাৰৰ লগে লগে, ভাৰতৰ পৰম্পৰাগত সমাজ গাঁথনিত বিৰাট আঘাত পৰিল। যাৰ ফলত ভাৰতৰ চাহিতফালৰ পুৰণি শাসক, জমিদাৰ, অভিজাত শ্রেণী, সৈনিক, জনজাতি, কৃষক আদিৰ মাজত বিদ্রোহৰ ভাব সৃষ্টি হ'ল। ১৮৫৭ চনৰ ব্রিটিছৰ বিৰুদ্ধে এই বিদ্রোহ সংঘটিত হয়। ১৮৫৭ চনৰ এই বিদ্রোহত অসম জ্বই জ্বলাইছিল কোম্পানীৰ দলৰ অন্তর্ভুক্ত ভাৰতীয় চিপাহীসকলেই। সেইবাবে

বিদ্ৰোহক "চিপাহী বিদ্ৰোহ" বুলিও জনাজাত। ব্ৰিটিছৰ আমোলত বৃটিছৰ যুদ্ধত বিৰুদ্ধে এয়া আছিল ভাৰতীয় জনগণৰ প্ৰথম স্বাধীনতা সংগ্ৰাম। এই যুদ্ধত ভাৰতবাসীয়ে বিজয় সাব্যস্ত কৰিব নোৱাৰিলেও হিন্দু-মুছলমানৰ মাজত সাম্প্ৰদায়িক ঐক্য, ভাৰতবাসীৰ মনত জাতীয়তাবোধ আৰু ভৱিষ্যতৰ বাবে ভাৰতীয় জাতীয় আন্দোলনৰ ভেটি গঢ়ি উঠে।

আধুনিক ভাৰত বুৰঞ্জীত ১৮৫৭ চন এক বিশেষভাৱে উল্লেখনীয় বছৰ। ব্ৰিটিছ সৈন্য বাহিনীত থকা ভাৰতীয় সৈন্যই এই বছৰতেই বিদ্ৰোহ ঘোষণা কৰি ভাৰতবৰ্ষত ব্ৰিটিছ শাসনৰ ভেঁটি কপাঁই তুলিছিল। ব্ৰিটিছৰ সাম্ৰাজ্যবাদী নীতি যেনে- লৰ্ড ওৱেলেচিৰ বশ্যতামূলক মিত্ৰতা নীতি, লৰ্ড ডেলহাউচীৰ স্বত্ববিলোপ নীতি আদিয়ে বিভিন্ন ভাৰতীয় ৰাজ্যক ব্ৰিটিছৰ সাম্ৰাজ্যত অন্তৰ্ভুক্ত কৰিছিল। এই ৰাজ্যসমূহৰ বঞ্চিত শাসকসকলৰ লগতে তেওঁলোকৰ সমৰ্থক সকলে ভাৰতীয় সৈন্যই যেতিয়া তেওঁলোকৰ বিভিন্ন দুদৰ্শাৰ প্ৰতিবাদত ১৮৫৭ চনৰ ১০ মে' তাৰিখে মিৰাটত বিদ্ৰোহ ঘোষণা কৰিছিল, তেতিয়া এই বিদ্ৰোহী সৈন্য বাহিনীক সম্পূৰ্ণ সমৰ্থন আগবঢ়াই বিদ্ৰোহ আৰু শক্তিশালী কৰি তুলিছিল। বিদ্ৰোহী সকলে দ্বিতীয় বাহাদুৰ শ্বাহক পুনৰ মোগল সম্ৰাট পাতি ব্ৰিটিছৰ শাসন চিৰদিনলৈ ভাৰতবৰ্ষত অৱসান ঘটাব বিচাৰিছিল।

ব্ৰিটিছ শাসন-শোষনৰ বিৰুদ্ধে অসমীয়া জনসাধাৰণ জাগ্ৰত হৈ উঠিছিল। ১৮৫৭ চনৰ বিদ্ৰোহে অসমৰ অভিজাত শ্ৰেণীটোক ব্ৰিটিছ শাসন ওফৰাই পুনৰ ৰাজতন্ত্ৰ প্ৰতিষ্ঠা কৰাৰ এক সোণালী সুযোগ প্ৰদান কৰিছিল। সেয়েহে ১৮৫৭ চনৰ বিদ্ৰোহে অসমতো প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল।

মনিৰাম দেৱানৰ বিদ্ৰোহ :-

উত্তৰ ভাৰতত যেতিয়া বিদ্ৰোহ আৰম্ভ হৈছিল অসমত তেতিয়া ইংৰাজ সৈন্যৰ দুটা ৰেজিমেন্ট আছিল - ডিব্ৰুগড়ৰ প্ৰথম আসাম লাইট ইনফেন্ট্ৰী আৰু গুৱাহাটীৰ দ্বিতীয় আসাম লাইট ইনফেন্টী। যদিও প্ৰথম অৱস্থাত এই দুয়োটা ৰেজিমেন্টৰ সৈন্য সকল নিৰ্বিকাৰ আছিল, বিহাৰত চিপাহী বিদ্ৰোহৰ খবৰ পাই অসমতো ডিব্ৰুগড়-গুৱাহাটী ৰেজিমেন্টৰ লগতে শিৱসাগৰ আৰু চৈখোৱাত থকা ছাউনীৰ

মাজতো কিছু অসন্তুষ্টি বিয়পি পৰা দেখা গৈছিল।

যি সকলে সৈন্য বাহিনীৰ মাজত ব্ৰিটিছ চৰকাৰৰ বিৰুদ্ধে অসন্তুষ্টি বিয়পোৱাৰ চেষ্টা কৰিছিল, তেওঁলোক আছিল অসমৰ পুৰণি অভিজাত শ্ৰেণীৰ লোক। তেওঁলোকে অসমৰ পৰা ব্ৰিটিছ শাসন ওফৰোৱাৰ লগতে প্ৰাক্তন আহোম ৰজা পুৰন্দৰ সিংহৰ নাতি কন্দৰ্পেশ্বৰ সিংহক সিংহাসনত প্ৰতিষ্ঠা কৰি আহোম ৰাজতন্ত্ৰৰ পুনৰ প্ৰতিষ্ঠা কৰাৰ সপোন দেখিছিল। এই সমগ্ৰ পৰিকল্পনাৰ মূলতে আছিল মণিৰাম বৰভাণ্ডাৰ বৰুৱা, যি মণিৰাম দেৱান নামেৰে জনপ্ৰিয় আছিল। যেতিয়া মিৰাটত ভাৰতীয় সৈন্যই প্ৰথম বাৰৰ বাবে বিদ্ৰোহ ঘোষণা কৰিছিল, মণিৰাম দেৱানে কলিকতাত বাহৰ পাতি আছিল। এজন আহোম ৰাজকোঁৱৰৰ হাতত শাসন ভাৰ প্ৰদান কৰি উজনি অসমৰ কিছু অংশত আহোম ৰাজতন্ত্ৰ প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্যে তেওঁ কলিকতালৈ ব্ৰিটিছ চৰকাৰক এখন আৰ্জিপেচ কৰিবলৈ গৈছিল।

কলিকতাত দেৱানে মধুমল্লিক নামৰ এজন বঙালী মুক্তিয়াৰৰ লগ লাগি অসমৰ পৰা ইংৰাজক খেদোৱাৰ ষড়যন্ত্ৰ ৰচনা কৰাত পিয়লি বৰুৱা; দুতিৰাম বৰুৱা আদিৰ লগতে অসমৰ অভিজাত শ্ৰেণীৰ কিছুলোকে তেওঁৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাইছিল। আহোম কোঁৱৰ কন্দৰ্পেশ্বৰ সিংহৰ অধীনত অসমৰ চিপাহীসকলে বিদ্ৰোহ কৰিব আৰু মণিৰাম দেৱানে অস্ত্ৰ-শস্ত্ৰসহ কলিকতাৰ পৰা আহি সহায়ৰ হাত আগবঢ়াব। ইংৰাজ চৰকাৰে এই ষড়যন্ত্ৰৰ উমান ১৮৫৭ চনৰ আগষ্ট মাহৰ মাজভাগতে পাইছিল। সেই অনুযায়ী বিদ্ৰোহীসকলে দমন কৰিবলৈ প্ৰস্তুত সম্পূৰ্ণ কৰি তুলিছিল। চীফ কমিছনাৰ জেন্‌কিনচে পৰিস্থিতিৰ গুৰুত্ব বুজি বংগদেশৰ পৰা প্ৰশিক্ষিত ইউৰোপীয়ান সৈন্যৰ এক ফৌজ পঠিয়াবলৈ চৰকাৰক অনুৰোধ কৰিছিল।

১৮৫৭ চনৰ চেপ্টেম্বৰ মাহৰ আগভাগত শিৱসাগৰৰ প্ৰিন্সিপাল এছিষ্টেন্ট কেপ্টেইন হলৰইডে মণিৰাম দেৱানে লিখা বহুকেইখন চিঠি ধৰা পৰিবলৈ সক্ষম হয়; য'ত ইংৰাজৰ বিৰুদ্ধে কৰা ষড়যন্ত্ৰ উল্লেখ আছিল। কেপ্টেইন হলৰইডৰ আহ্বানত কেপ্টেইন লউডাৰ এটি ব্ৰিটিছ ফৌজৰ সৈতে যোৰহাটত উপস্থিত হয় আৰু ছেপ্টেম্বৰৰ ৭ তাৰিখে কন্দৰ্পেশ্বৰ

সিংহক আটক কৰে। আহোম ৰাজকোঁৱৰক কলিকতালৈ পঠিয়াই আলিপুৰ জেইলত বন্দী কৰি ৰখা হয়।

কন্দৰ্পেশ্বৰ সিংহৰ গ্ৰেপ্তাৰৰ পিছতেই কলিকতাত মনিৰাম দেৱানক গ্ৰেপ্তাৰ কৰা হয়। মনিৰাম দেৱান ব্ৰিটিছৰ বিৰুদ্ধে কৰা ষড়যন্ত্ৰৰ মূল নায়ক আছিল। তেওঁক আলিপুৰ জেইলত প্ৰায় আঢ়ৈ মাহ ৰখা হয় আৰু ডিচেম্বৰ মাহত যোৰহাটলৈ প্ৰেৰণ কৰা হয়।

কেপ্টেইন হলৰইডে বিশেষ ভাবে গঠিত বিচাৰপীঠৰ দ্বাৰা মনিৰাম দেৱানক গ্ৰেপ্তাৰ কৰা হয়। মনিৰাম দেৱান আৰু পিয়লি বৰুৱাক ইংৰাজৰ বিৰুদ্ধে কৰা ষড়যন্ত্ৰৰ বাবে দোষী সাব্যস্ত কৰে আৰু ফাঁচীৰ হুকুম জাৰি কৰে। সেই অনুযায়ী ১৮৫৮ চনৰ ২৬ ফেব্ৰুৱাৰীত দুয়োজনকে ফাঁচী দিয়া হয়। মধুমল্লিক, কমলা বৰুৱা, দুতিৰাম বৰুৱা, মায়াৰাম নাজিৰ ষড়যন্ত্ৰত অংশগ্ৰহণ কৰা বাবে যাৱজ্জীৱন কাৰাদণ্ড বিহা হয়।

মনিৰামে অসমক ব্ৰিটিছৰ পৰা মুক্ত কৰিবলৈ সকলো প্ৰকাৰে চেষ্টা কৰিছিল আৰু অৱশেষত মাতৃভূমিৰ স্বাৰ্থত নিজৰ জীৱন জলাঞ্জলী দি অসমৰ জনসাধাৰণৰ প্ৰেৰণাৰ উৎস হৈ পৰিল। তেওঁৰ এই ত্যাগৰ ফলস্বৰূপেই অসমৰ জনসাধাৰণে ব্ৰিটিছৰ বিৰুদ্ধে মাৰ বান্ধি থিয় হৈছিল।

সামৰণি:

দেশৰ স্বাধীনতা সংগ্ৰামত অন্যান্য প্ৰান্তৰ দৰে অসমতো জ্বলি উঠিছিল বৃটিছৰ বিৰুদ্ধে প্ৰতিবাদৰ জুই। পুৰুষ-মহিলা উভয়েই জপিয়াই পৰিছিল এই সংগ্ৰামত। দেশৰ স্বাৰ্থত মনিৰাম দেৱানৰ দৰে বীৰ সন্তানে নিজ দেশৰ বাবে নিজৰ প্ৰাণত্যাগ কৰিবলৈকো কুণ্ঠাবোধ কৰা নাছিল। অসমৰ ডেকায়ে এটা সময়ত নিজ দেশমাতৃৰ স্বাৰ্থত ব্ৰহ্মপুত্ৰৰ বগা পানীক ৰঙা কৰিবলৈ সক্ষম হৈছিল। কিন্তু আজিৰ এই একবিংশ শতিকাৰৰ ডেকায়ে সেই বগা পানী ৰঙা কৰিবলৈ কুণ্ঠাবোধ নকৰি মাতৃৰ সপক্ষে মাত মাতিবলৈ আগবাঢ়ি আহিব লাগিব। মনিৰাম দেৱানৰ তেজৰ বংশধৰ হৈ আমি সকলো ভাৰত মাতৃক

যিকোনো পৰিস্থিতিতে ~~[illegible]~~ ৰক্ষা কৰিবৰ বাবে সাজু থাকিব লাগিব যাতে বহিৰাগত শত্ৰুয়ে কোনো কাৰণতে আমাক আক্ৰমন কৰিব নোৱাৰে । শেষত হাজৰিকা দেৱৰ কথাৰে —

" আকৌ যদি যাব লাগে
শৰাইঘাটলৈ
লুইত পাৰৰ ডেকা বন্ধু
নেথাকিবা বৈ ---"

শ্ৰী ধ্যান জ্যোতি ডেকা
দ্বিতীয় ষাণ্মাসিক
ধেমাজি অভিযান্ত্ৰিক মহাবিদ্যালয়